**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-07-2025 **Time :** 07-55 Hrs.

**Assamese Morning Bulletin**

উজনি অসমৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। তিনিচুকীয়া জিলাৰ কাকপথাৰত এই ৰোগত আক্ৰান্ত হৈ কালি জয়শ্ৰী চাংমাই নামৰ এগৰাকী ছাত্ৰীৰ মৃত্যু হয়। কাকপথাৰ দপথাৰ মাজগাঁৱৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰীগৰাকী এই ৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। জিলাখনত এতিয়ালৈকে ৯ জন লোক জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হোৱাৰ খবৰ আহিছে। ইফালে, যোৰহাট জিলাৰ তিতাবৰতো কালি জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ বৰ্ষা মুণ্ডা নামৰ ৭ বছৰীয়া এটি শিশুৰ মৃত্যু হয়। যোৱা ৭ জুলাইত আক্ৰান্ত শিশুটিত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও কালি নিশা চিকিৎসাধীন অৱস্থাতে শিশুটিয়ে মৃত্যুক সাৱটি লয়।

জামুগুৰিহাটতো জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ অৰূপ নাথ নামৰ ৩৬ বছৰীয়া এজন যুৱকৰ মৃত্যু হয়। তেজপুৰত গৃহৰক্ষী বাহিনীৰ জোৱান হিচাপে কৰ্মৰত যুৱকজনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়।

০০০০০০০০

পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আশুতোষ কুমাৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ১০ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণইক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। তেতিয়াৰপৰাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে ন্যায়াধীশ মাইকেল জোথানখুমাই দায়িত্ব পালন কৰি আহিছিল।

০০০০০০০০

আজি অসম সচিবালয়ত ৬১ গৰাকী প্ৰাৰ্থীক ৰাজ্য চৰকাৰে নতুনকৈ নিযুক্তি পত্ৰ প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব। অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক টেকনিকেল পদত ৫৪ গৰাকী আৰু নন-টেকনিকেল পদত ৫ গৰাকী প্ৰাৰ্থীৰ লগতে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ পদত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। পুৱা ১০ বজাত অসম সচিবালয়ৰ আই ব্লক কক্ষত আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব।

০০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক চ'ৰাৰ উদ্যোগত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম দিৱস উপলক্ষে কালি এখন বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। কৃষ্ণকান্ত সন্দিকৈৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ হোৱা অনুষ্ঠানটোত গৱেষক মাধুৰীমা শইকীয়াই কৃষ্ণকান্ত সন্দিকৈ দেৱৰ ৰচিত এটি গীত

পৰিৱেশন কৰে। বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী অধ্যাপক জয়ন্ত কুমাৰ বৰাই **ঊনবিংশ শতিকাৰ ভাৰতৰ নৱজাগৰণ আৰু জ্ঞানৰ সাধনা** বিষয়ত তথ্য সমৃদ্ধ আৰু তত্বগধূৰ এটা বক্তৃতা প্ৰদান কৰে।

oooooooo

যোৰহাট জিলা দবা সন্থাৰ সোণালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচী হিচাপে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইয়াৰে সৈতে সংগতি ৰাখি যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত কালিৰে পৰা ২৪ জুলাইলৈ ৪৮ সংখ্যক সদৌ অসম মুকলি ফিডে ৰেটিং দবা প্ৰতিযোগিতা আৰম্ভ হৈছে। এই প্ৰতিযোগিতাত ৰাজ্যৰ ২৭খন জিলা ২৬৭গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে।

oooooooo

সদৌ অসম কবি সন্মিলনৰ ভগ্নী সংগঠন কাব্যনন্দিনীৰ উদ্যোগত কালি মাজুলী মহাবিদ্যালয়ত এখন কবি সন্মিলন অনুষ্ঠিত হয়। মাজুলী জিলা কবি সন্মিলনৰ আতিথ্যত সত্ৰাধিকাৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষত আয়োজিত এই অনুষ্ঠানতে মাজুলীৰ ছগৰাকী কবিক সম্বৰ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে কাব্যনন্দিনী আৰু জিলা কবি সন্মিলনৰ তৰফৰ পৰা বিশিষ্ট অতিথিসকলক অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা প্ৰদান কৰা হয়। অনুষ্ঠানত মাজুলীৰ বিশিষ্ট কবি তথা সাহিত্যিক অমিয়া দেৱী বৰঠাকুৰ, ইন্দুলেখা হাজৰিকা, লখিমী বৰুৱা, কৌশল্যা বায়ন, স্বৰ্ণ মুদৈ আৰু সুৰ শইকীয়া হাজৰিকাক অংগবস্ত্ৰ কিতাপৰ টোপোলা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

oooooooo

যোৰহাট জিলাৰ চাৰিগাঁও সূৰ্যোদয় সংঘই অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত ৮ জুলাইৰ পৰা ১৫ দিনীয়া গ্ৰীষ্ম কালিন নাট্য আৰু নৃত কৰ্মশালাৰ আয়োজন কৰিছে। যোৰহাট জিলাৰ কেন্দুগুৰীত সৰোজনী দেৱী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত হোৱা এই কৰ্মশালা ২৩ জুলাইত সামৰণি পৰিব। কৰ্মশালাত অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীক সংগীত-নাটক একাডেমী বঁটা প্ৰাপক গুণাকৰ দেৱগোস্বামীৰ লগতে মৃদুল বুঢ়াগোঁহাই, সুব্ৰত ৰঞ্জন দত্ত, গীতাশ্ৰী বৰা, মনোজ কুমাৰ শইকীয়া, স্নিগ্ধা ৰাণী বৰুৱা আদি সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰিছে। সামৰণি অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষাৰ্থীসকলৰ দ্বাৰা কেন্দুগুৰী পূজা মন্দিৰৰ মঞ্চত নাটক আৰু নৃত্য অনুষ্ঠান পৰিৱেশন কৰা হ'ব।

oooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত দেখা দিয়া খৰাং পৰিস্থিতি সন্দৰ্ভত কৃষিমন্ত্ৰী অতুল বৰাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বিতংভাৱে আলোচনা কৰিছে। নতুন দিল্লীত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত যোৱানিশা কৃষিমন্ত্ৰীগৰাকীয়ে কয়, যে জলবায়ু পৰিৱৰ্তনে বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। এই প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবৰ বাবে মুখ্যমন্ত্ৰীৰ সৈতে বিতংভাৱে আলোচনা কৰা হৈছে। জলসিঞ্চন বিভাগে খৰাং পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে সুকীয়াকৈ কাম কৰি থকাৰ কথা উল্লেখ কৰি কৃষিমন্ত্ৰীগৰাকীয়ে কয়, যে কৃষি বিভাগৰ তৰফৰ পৰাও ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাৰ জৰিয়তে সম্প্ৰতি খৰাং পৰিস্থিতিৰ জোৰা মাৰিবলৈ চেষ্টা চলাই থকা হৈছে।

oooooooo

**সমাপ্ত**